# আলবেৰুণীৰ বৰ্ণনাত ভাৰতীয় জাতীয় সাহিত্য মহাভাৰত

তুৰা কটকী
মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ

আলবেৰুণী চুলতান মেহমুদৰ ৰাজসভাৰ অন্যতম এগৰাকী উজ্বল তাৰকা আছিল। তেওঁ একেধৰণে এজন প্ৰতিভাবান দাৰ্শনিক, গনিতজ্ঞ আৰু ইতিহাস বিদ হিচাবে খ্যাতি অৰ্জন কৰিছিল। তেওঁ ৯৭৩ চনত খিবা ওৰফে খোৱাৰিজম নামৰ ঠাইত জন্মগ্ৰহণ কৰিছিল। তেখেতৰ জীৱনৰ প্ৰথম ভাগৰ নামটো হ'ল আবু ৰেইহান মহম্মদ ইবন আহমেদ। ভাৰতীয় সভ্যতাৰ প্ৰতি আকৃষ্ট হৈ তেওঁ সংস্কৃত ভাষা আয়ত্ব কৰিছিল আৰু হিন্দু দৰ্শন আৰু সংস্কৃতিৰ বহুতো কিতাপ অধ্যয়ন কৰিছিল। তেখেতৰ কৌতুহলী মনে আৰু তীব্ৰ অনুসন্ধানশীল দৃষ্টিৰ পৰা ভাৰতীয় পুৰাণ, ভাগৱত গীতাওঁ বাদ পৰা নাছিল। তেখেতে ভাৰতৰ বিষয়ে লিখা অতি বিখ্যাত গ্ৰন্থখনৰ প্ৰকৃত নাম হ'ল "কিতাপ তেহকিব মা উল'ল হিন্দ মিন মাকাল মাক বোলা ফিল অকল আত্ত সাৰধুলা"। জনপ্ৰিয় ভাবে এই গ্ৰন্থখনক "তেহকিক ই হিন্দ" নামেৰেও জনা যায়।

এই কিতাপখন ভাৰতীয় ৰাজনৈতিক পৰিস্থিতি সামাজিক তথা ধৰ্মীয় জীৱন সম্পৰ্কে জানিবৰ বাবে এখন অতি মূল্যবান গ্ৰন্থ তথা সমল। এই কিতাপখন তেওঁ চুলতান মেহমুদৰ ৰাজত্বকালত প্ৰায় ১০৩০-খ্ৰীষ্টাব্দত ৰচনা কৰিছিল।

মেহমুদৰ ৰাজসভাত আলবেৰুণীৰ স্থান কেনে আছিল তাৰ এক স্পষ্ট ধাৰণা কৰিব পৰা নাযায়। অৱশ্যে এইটো ভাবিবৰ থল আছে যে মেহমুদৰ ৰাজত্বত তেওঁ এক প্ৰকাৰ বন্দীত্বৰ জীৱন-যাপন কৰিব লগা হৈছিল। যাহওক তেওঁৰ বৌদ্ধিক সাফল্যৰ বাবে বিশেষকৈ জ্যোতিৰ বিদ্যা আৰু জ্যোতিৰ শাস্ত্ৰত অশেষ খ্যাতি থকা বাবে তেওঁ মেহমুদৰ ৰাজসভাত সমাদৃত হৈছিল। সেয়ে হ'লেও মেহমুদৰ লগত তেওঁৰ সম্পৰ্ক অতি ঘণিষ্ঠ আৰু মধুৰ আছিল বুলি জনা নাযায়। আলবেৰুণীৰ ভাৰত সম্পকীয় বিখ্যাত গ্ৰন্থখনত নামমাত্ৰহে চুলতানৰ বিষয়ে উল্লেখ আছিল আৰু সিয়ো আছিল বৰ অস্পষ্ট ভাবে। আলবেৰুণী এগৰাকী প্ৰতিভাবান ভাষাবিদ তথা সু-লেখক আছিল। নিজৰ মাতৃভাষা খোৱাৰিজনম উপৰিও হিবত, চিৰিয়াক, আৰবিক আৰু সংস্কৃত ভাষাত তেওঁৰ বিশেষ দক্ষতা আছিল। সেয়েহে তেওঁ ভাৰতীয় সাহিত্য, বেদ, স্মৃতি, উপনিষদ আৰু অন্যান্য বিষয়ৰ ওপৰত নিজৰ মন্তব্য আগবঢ়োৱাৰ উপৰিও ভাৰতীয় মহাকাব্য মহাভাৰতৰ ওপৰত অতি গুৰুত্বপূৰ্ণ টোকা লিপিবদ্ধ কৰি গৈছে।

মহাভাৰতৰ ওপৰত গুৰুত্বপূৰ্ণ বিৱৰণী লিখি মন্তব্য কৰিছিল তেওঁ যে হিন্দুসকলে পৱিত্ৰ বুলি গণ্য কৰা এই কিতাপখনত আন কিতাপত থকা কথাবোৰৰ উল্লেখ আছে, কিন্তু এই কিতাপত সংঘটিত হোৱা কথাবোৰ অন্য কিতাপত উল্লেখ নাই বুলি হিন্দুসকলে সজোৰে প্ৰতিপন্ন কৰিছিল। এই কিতাপখনক ভৰত বুলি কোৱা হয়। এই কিতাপখন পৰাশৰ মুনিৰ পুত্ৰ ব্যাসদেৱে ৰচনা কৰিছিল আৰু পাণ্ডুৰ পুত্ৰ সকলৰ মাজত সংঘটিত হোৱা ভীষন যুদ্ধৰ সময়ত ৰচনা কৰিছিল। কিতাপখনৰ শিৰোনামাই সেই সময়ৰ ইংগিত বহন কৰে। কিতাপখনত ১০০,০০০ টা শ্লোক ১৮ টা ভাগত বিভক্ত। এই ভাগবোৰক পৰ্ব্ব বোলা হয়। ইয়াত আমি পৰ্ব্ববোৰৰ তালিকাখন দাঙি ধৰিছো।

১) সভা পৰ্ব্ব - অৰ্থাৎ ৰজাৰ বাসস্থান।

২) অৰণ্য অৰ্থাৎ মুক্ত পথাৰত বিচৰণ, মানে পাণ্ডু পুত্ৰৰ বৰ্হিগমন।

৩) বীৰাট অৰ্থাৎ সেই ৰজাজনৰ নাম যিখন ৰাজ্যত পাণ্ডু পুত্ৰই অজ্ঞাতব্যাসৰ সময়ত বাস কৰিছিল।

৪) উদ্যোগ মানে যুদ্ধ প্ৰস্তুতি

৫) ভীষ্ম

৬) দ্ৰোন ঃ- বামুন জন

৭) কৰ্ণ ঃ- সূৰ্য্য পুত্ৰ

৮) শল্য ঃ- দুৰ্যোধনৰ ভাতৃ, কিছুমান যুদ্ধ কৰা ডাঙৰ সৈনিক, যিজনে তেওঁৰ পুৰ্ব্বসুৰী যুদ্ধত মৃত্যু হ'লে সদায় যুদ্ধ কৰিবলৈ আগবাঢ়ি আহে।

৯) গদা মানে টাঙোন।

১০) শৌপটিক মানে শুই থকা অৱস্থাত বধ কৰা, যেতিয়া দ্ৰোনৰ পুত্ৰ অশ্বথামাই পাঞ্চাল নগৰ ৰাতি আক্ৰমণ কৰি ইয়াৰ বাসিন্দা সকলক হত্যা কৰিছিল।

১১) জলপ্ৰদনিকা ঃ- মৃতকৰ বাবে পৰ্যায় ক্ৰমে পানী উঠোৱা, মৃতকক স্পৰ্শ কৰি হোৱা অশৌচ দূৰ কৰিবলৈ মানুহে ধোৱা পখলা কাৰ্য্য।

১২) স্ত্ৰী ঃ- মানে তিৰোতাৰ বিলাপ।

১৩) শান্তি ঃ- ২৪,০০০ হাজাৰ টা শ্লোকেৰে ৰচিত আৰু অন্তৰৰ পৰা ঘৃণা আতৰাবলৈ, ৪ টা ভাগত বিভক্ত—

ক) ৰাজ ধৰ্ম ঃ- ৰজাৰ পুৰস্কাৰৰ ওপৰত

খ) দান ধৰ্ম ঃ- দান দক্ষিণাৰে পুৰস্কৃত কৰাৰ ওপৰত

গ) অপধৰ্ম ঃ- যিসকলৰ আৱশ্যক আৰু বিপদত পৰিছে তেওঁলোকক পুৰস্কৃত কৰাৰ ওপৰত

ঘ) মোক্ষ ধৰ্ম ঃ- পৃথিৱীৰ পৰা মুক্তি পোৱা সকলক পুৰস্কাৰ দিয়াৰ ওপৰত।

১৪) অশ্বমেধ ঃ- অৰ্থ্যাৎ ঘোৰা বলি, ঘোৰাটো এদল সৈনেৰে সৈতে পৃথিৱী ভ্ৰমনৰ বাবে পঠিওৱা হয়। তাৰ লগতে ৰাজহুৱা ঘোষণা কৰা হয় যে ঘোৰাটো পৃথিৱীৰ ৰজাৰ আৰু যেয়ে এইটো মানি নলয় তেওঁ যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিব লাগে। বামুনে ঘোৰাটো অনুসৰন কৰে যি ঠাইত ঘোৰাটোৱে বিস্তা ত্যাগ কৰে তাতেঅগ্নিহোতি দিব লাগে।

১৫) মৌচায ঃ- মানে বাসুদেৱ জনগোষ্ঠীৰ যাদৱ সকলৰ নিজৰ মাজত লগা যুদ্ধ।

১৬) আশ্ৰমাবাস ঃ- স্বদেশ ত্যাগ।

১৭) প্ৰস্থান ঃ- মুক্তিৰ বাবে শাসন ত্যাগ।

১৮) স্বৰ্গাৰোহন ঃ- মানে স্বৰ্গ যাত্ৰা।

এই ১৮ টা পৰ্বৰ পিচত হৰিবৰল পৰ্ব বুলি কোৱা বিৰৰনত বাসুদেৱ সম্বন্ধীয় পৰম্পৰাৰ কথা সন্নিবিষ্ট কৰা আছে।

এই কিতাপখনত সাঁথৰৰ নিচিনা কিছুমান পৰ্ব লিখা আছে যিবোৰৰ বিভিন্ন বাখ্যা দিব পাৰি। ইয়াৰ কাৰন হিচাবে হিন্দুসকলে নিন্ম সাধুটো সাঙুৰি দিয়ে—

"ব্যাসে ব্ৰাহ্মণক এনে এজন মানুহ বিছাৰিলে যিজনে তেওঁ শ্ৰুতলিপি দিয়াৰ দৰে ভাৰত নামৰ কিতাপখন লিখিব পাৰে। সদ্যহতে তেওঁ নিজৰ পুতেক বিনায়কক এই দায়িত্ব অৰ্পন কৰিলে। বিনায়কক হাতীৰ সুৰৰ এটা মুৰ্ত্তিৰে প্ৰতিনিধিত্ব কৰা হয়। তেওঁ যাতে কোনো মূহূৰ্ততে লিখাৰ পৰা অৱসৰ নলয়, সেইটো বাধ্যবাধকতা কৰা হ'ল। একে সময়তে ব্যাসে তেওঁৰ ওপৰত চৰ্ত আৰোপ কৰিলে যে যিখিনি বুজে সেইখিনিহে তাতে তেওঁ লিপিবদ্ধ কৰে। গতিকে ব্যাসে শ্ৰুতলিপি দিয়াৰ সময়ত এনেকুৱা কিছুমান বাক্য শ্ৰুতলিপি দিছিল যে যিবোৰ বাক্যই লিখোতাক সেই বিলাকৰ ওপৰত চিন্তা কৰিবলৈ বাধ্য কৰিছিল আৰু সেই সময়তে ব্যাসে খন্তেক জিৰাবলৈ সময় পাইছিল। কৌৰৱ আৰু পাণ্ডৱৰ মাজত লগা যুদ্ধৰ বিৱৰণ এনে ধৰণ—

কৌৰৱ পুত্ৰ সকলৰ, (অৰ্থাৎ ধৃতৰাষ্ঠ্ৰৰ) ভতিজা সকলৰ, মানে (পাণ্ডু পুত্ৰসকলৰ) চোৰা চিতাৰ দায়িত্ব আছিল। ধৃতৰাষ্ঠই সেই দায়িত্ব গ্ৰহণ কৰিছিল আৰু তেওঁলোকৰ সৈতে পাশা খেলিছিল। পাশাৰ শেষ পন আছিল তেওঁলোকৰ সমগ্ৰ সম্পত্তি। পাশাখেলত তেওঁলোকে ইটোৰ পিছত সিটোকৈ বহু সম্পত্তি হেৰুৱালে আৰু শেষত দহ বছৰ বনবাস (Expatriation) আৰু আন কোনোৰেওঁ নজনাকৈ দেশৰ একেবাৰে নিলগৰ অঞ্চলত অজ্ঞাত বাস খাটিবিলৈ বাধ্য কৰুৱাইছিল। তেওঁলোকে যদি এই অঙ্গীকাৰ ৰক্ষা কৰিব নোৱাৰে তেনেহ'লে তাৰ হিচাবৰ দহ বছৰৰ বাবে নিৰ্বাসিত হবৰ কাৰনে সাজু থাকিব লাগিব। এই চৰ্ত্ত সমুহ তেওঁলোকে পালন কৰিলে আৰু অৱশেষত তেওঁলোকে যুদ্ধৰ বাবে আগবাঢ়ি আহিল। সদ্যেহতে প্ৰত্যেক দলেই নিজৰ সমুহ সদস্যকে একত্ৰিত হোৱা আৰম্ভ কৰি মিত্ৰতাৰ বাবে আহ্বান জনালে আৰু অৱশেষত অলেখ মিত্ৰৰে কুৰুক্ষেত্ৰ সমভূমিত সমবেত হ'ল। তাত ১৮ অক্ষৌহিনি আছিল। প্ৰত্যেকটো পক্ষই বাসুদেৱক মিত্ৰ হিচাবে পাবলৈ বিচাৰিছিল গতিকে তেওঁ নিজে বা তেওঁৰ ভাতৃ বলভদ্ৰ আৰু এদল সৈনেৰে সহায় আগবঢ়াইছিল। পাণ্ডু পুত্ৰই বসুদেৱক সহযোগী হিচাবে প্ৰাধান্য দিছিল। তেওঁলোক পাচজন আছিল— যুধিষ্ঠিৰ তেওঁলোকৰ নেতা, অৰ্জুন, তেওঁলোকৰ অতি সাহসীজন, সহদেৱ, ভীমসেন আৰু নকুল। তেওঁলোকৰ ৭ অক্ষোহিনী আছিল। তাৰ তুলনাত শত্ৰু অধিক শক্তিশালী আছিল। কিন্তু বাসুদেৱৰ চতুৰ কৌশল আৰু শিকনিৰে তেওঁলোক বিজয় সাব্যস্ত কৰিছিল, যদিও তেওঁলোক শত্ৰুতকৈ কিছু কম অনুকুল অৱস্থাত আছিল। বৰ্ত্তমান তেওঁলোকেই জয়ী হ'ল আৰু শত্ৰ ধ্বংস

কৰিলে। পঞ্চ ভাতৃৰ বাদে যুদ্ধৰ শেষত কোনো নাথাকিল। ইয়াৰ পিছত বাসুদেৱ নিজ গৃহলৈ উভতি যায় আৰু যাদৰ বুলিৱলৈ নিজ পৰিয়ালৰ সৈতে মৃত্যু বৰণ কৰে লগতে যুদ্ধৰ অন্তত বছৰটো শেষ নৌহওতেই পঞ্চ ভাতৃয়েও মৃত্যু বৰণ কৰে।

ইয়াৰ উপৰিও আলবেৰুনীয় বাসুদেৱৰ আৰু পঞ্চপাণ্ডৱ ভাতৃৰ অৱসানৰ বিস্তৃত বিৱৰণ দিয়ে।

এদিন বসুদেৱৰ এজন ভাতৃ সমন্ধীয়ই দুৰ্বাসা ঋষিৰ ওচৰলৈ গৈছিল আৰু নিজৰ কোটৰ তলত লুকুৱাই থোৱা কেৰাহী এটা দেখুৱাই সেই গৰ্ভাৱতীয়ে কি প্ৰসৱ কৰিব বুলি সুধি ফুৰিব ভেঙুচালি কৰিছিল। ঋষিয়ে এই ভেঙুচালিত বিৰক্ত হৈ খঙতে কৈছিল যে তেওঁৰ পেটত থকা বস্তুটোৱেই তেওঁ আৰু তেওঁৰ বংশৰ ধ্বংসৰ কাৰণ হব। বসুদেৱে এই অভিশাপ সঁচা হব বুলি জানি কেৰাহীটো গুৰি কৰি নদীত পেলাই দিলে।

ইয়াৰ এটা ক্ষুদ্ৰ টুকুৰা এটা মাছে খালে, এটা মাছ মৰীয়াই সেই মাছটো ধৰি তাৰ পেট কাটি পোৱা টুকুৰা টোৰে এটা কাড়ৰ টোপ বনালে। বাসুদেৱে যেতিয়া ভৰিহাল জোঁট কৰি এজোপা গছৰ তলত বহি আছিল, তেতিয়া এটা মাছ মৰীয়াই হৰিণ বুলি ভাবি শৰবিদ্ধ কৰিছিল। গুৰি কৰা কেৰাহীৰ আন এটা অংশৰ পৰা বাৰদি জোপাহৰ জন্ম হৈছিল। যাদৱসলক যেতিয়া এই জোপোহাৰ কাৰ পালে আৰু তাতে জলপান কৰিবলৈ বহিল, তেতিয়াই তেওঁলোকৰ মাজত এখন কাজিয়া লাগিল আৰু তেওঁলোকে ইজনে সিজনক বাৰ্‌দি গছৰ ঠালেৰে কোৱাই হত্যা কৰিলে। বসুদেৱে অইনক তেওঁৰ নশ্বৰ দেহটো মৃত্যুৰ পিছত সংকাৰ কৰাৰ বাবে আদেশ কৰিছিল আৰু ডকাইতে বাটত আক্ৰমণ কৰা তিৰোতা সকলক দিছিল। যদিও তেওঁ ডকাইত হতক পৰাভূত কৰিছিল তথাপিও অনুভৱ কৰিছিল যে তেওঁৰ শক্তিৰ অৱক্ষয় হৈছে। সেয়েহে তেওঁ ভাতৃগণৰ সৈতে উত্তৰ পথেদি পৰ্ব্বতলৈ প্ৰৱজন কৰিছিল। শীতৰ প্ৰকোপত তেওঁলোকৰ এজনৰ পিছত সিজনকৈ মৃত্যু হৈছিল। ✦✦

---

*অইনে মোৰ বিষয়ে কি কয় সেইটো বিশেষ গুৰুত্বপূৰ্ণ কথা নহয়।*
*মই কি ক'ম, কি কৰিম সেয়াহে গুৰুত্বপূৰ্ণ।*

— ৰবীন্দ্ৰ নাথ ঠাকুৰ